**3 SEM TDC ASM M 1**

**2018**

( November )

ASSAMESE

( Major )

Course : 301

**( ভাষাবিজ্ঞানৰ প্ৰাথমিক জ্ঞান )**

*Full Marks* : 80

*Pass Marks* : 32 / 24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) "কোনো জনসমষ্টিয়ে প্ৰণালীবদ্ধ আৰু যাদৃচ্ছিক স্পষ্ট ধ্বনি প্ৰতীকৰ দ্বাৰা পৰস্পৰে সহযোগিতা কৰি দৈনন্দিন জীৱনৰ কাৰ্য চলোৱা প্ৰথাৰ নাম ভাষা।" এই সংজ্ঞাটিৰ আধাৰত ভাষাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। ১৫

অথবা

(খ) চমু টোকা লিখাঁ : ৫×৩=১৫

(১) ব্যক্তিভাষা

(২) সামাজিক উপভাষা

(৩) স্থানীয় উপভাষা

২। (ক) ভাষাবিজ্ঞানৰ এটি সংজ্ঞা দাঙি ধৰি ঐতিহাসিক ভাষা-বিজ্ঞান পদ্ধতিৰ বিষয়ে আলোচনা কৰা। ৪+১১=১৫

অথবা

(খ) চমু টোকা লিখা : ৫×৩=১৫

(১) সমাজ ভাষাবিজ্ঞান

(২) মনোভাষাবিজ্ঞান

(৩) বৈপৰীত্যমূলক ভাষাবিজ্ঞান

৩। (ক) বাক্যবিজ্ঞান কাক বোলে? একোটা ভাষাৰ বাক্যতাত্ত্বিক দিশসমূহৰ আলোচনাই সামৰি লোৱা পৰিসৰৰ বিষয়ে এটি আলচ যুগুত কৰা। ৩+১২=১৫

অথবা

(খ) ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ সংজ্ঞা দাঙি ধৰি দুয়োটাৰে মাজৰ সম্পৰ্ক বিচাৰ কৰি এটি টোকা প্ৰস্তুত কৰা।

৩+৩+৯=১৫

৪। আলোচনা কৰা (যি কোনো দুটা) : ৭×২=১৪

(ক) ভাষাৰ বৰ্গীকৰণৰ সংজ্ঞা আৰু ইয়াৰ প্ৰকাৰ

(খ) ভাৰতীয় আৰ্যভাষাৰ পৰিচয় আৰু ভাষিক বৈশিষ্ট্য

(গ) অসমৰ তিব্বত-বৰ্মীয় ভাষিক গোষ্ঠীৰ পৰিচয়

৫। (ক) প্ৰাচ্যৰ ভাষাচৰ্চাৰ ইতিহাস সম্পৰ্কে এটি ৰূপৰেখা প্ৰস্তুত কৰাঁ। ১৫

*অথবা*

(খ) পাশ্চাত্যৰ ভাষাচৰ্চাৰ ক্ষেত্ৰখনত ফাৰ্ডিনাণ্ড দ্য ছছ্যুৰৰ অৱদান সম্পৰ্কে আলোচনা কৰাঁ।

৬। চমু উত্তৰ দিয়াঁ : ১×৬=৬

(ক) ফাৰ্ডিনাণ্ড দ্য ছছ্যুৰৰ ভাষা চিন্তা সম্পৰ্কীয় বক্তৃতাৰ একত্ৰ সংকলনটো কি নামেৰে প্ৰকাশ হৈছে?

(খ) 'ভাষাবিজ্ঞান উপক্ৰমণিকা' শীৰ্ষক গ্ৰন্থখনৰ প্ৰণেতাজনৰ নাম লিখাঁ।

(গ) অসমীয়া ভাষা-বিষয়ক প্ৰথম গৱেষণা গ্ৰন্থখনৰ নাম লিখাঁ।

(ঘ) অসমীয়া ভাষা-বিষয়ক প্ৰথমখন ব্যাকৰণৰ নাম লিখাঁ।

(ঙ) অসমীয়া ভাষাৰ প্ৰান্তীয় ৰূপ এটাৰ নাম লিখাঁ।

(চ) কাৰ্বি ভাষাৰ মূল ভাষা-পৰিয়ালটোৰ নাম লিখাঁ।

★★★